## অসম বিধান সভা

## ২০২৬ চনৰ ২২ জুলাইত উত্তৰ দিবলগীয়া

## লিখিত প্ৰশ্ন নং – ৪৩২

**বিষয়ঃ মথাউৰী নিৰ্মাণৰ সম্পৰ্কে।**

**শ্ৰী বিকাশ শইকীয়া, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

(ক) অসমৰ সৰ্ববৃহৎ নদী ব্ৰহ্মপুত্ৰখন যোৰহাট জিলাৰ ৬৫ কিলোমিটাৰ দৈৰ্ঘ্য কেৱল টীয়ক সমষ্টিটোকে স্পৰ্শ কৰিছে । বৰ্তমান সময়ত নদীখনে টীয়ক সমষ্টিত গৰাখহনীয়াৰ ভয়াবহ ৰূপ ধাৰণ কৰাৰ লগতে মথাউৰিটোৰ বহু কিলোমিটাৰ অতি দুৰ্বল হৈ পৰিছে । গৰাখহনীয়া প্ৰতিৰোধৰ বাবে ADBএ জলসম্পদ বিভাগৰ জৰিয়তে কিছু পুঁজিৰ অনুমোদন জনাইছে যদিও দুৰ্বল মথাউৰিয়ে যথেষ্ট ভাবুকিৰ সৃষ্টি কৰিছে । এই বিষয়ে চৰকাৰ অৱগত নে ?

(খ) জাঁজীমুখ নিমাতীৰ ৭ কিলোমিটাৰ, ডাইনীগাঁৱৰ ৪ কিলোমিটাৰ, ন-হাতিয়াৰ ৩.৫ কিলোমিটাৰ, নেঘেৰিটীং-ৰঙাগড়াৰ প্ৰায় ১৫ কিলোমিটাৰ মথাউৰী একেবাৰে জৰাজীৰ্ণ অৱস্থাত আছে । একেদৰে ২ নং স্পাৰৰ অৱস্থা একেবাৰে সংকটজনক । এই ক্ষেত্ৰত চৰকাৰ অৱগত নে ?

(গ) যদি অৱগত, এই সমস্যা সমাধানৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে ? (সদনত জনাব) ।

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত সুশান্ত বৰগোহাঁই দেৱে উত্তৰ দিবঃ**

**–উত্তৰ–**

(ক) হয়, এই বিষয়ে জলসম্পদ বিভাগ সম্পূৰ্ণৰূপে অৱগত।

(খ) যোৰহাট জলসম্পদ সংমণ্ডলৰ অধীনস্থ ব্ৰহ্মপুত্ৰৰ মথাউৰীৰ জাঁজীমুখ-নিমাতি অংশ, ডাইনীগাঁও, ন-হাতিয়া আৰু নেঘেৰিটিং-ৰঙাগড়া অঞ্চলৰ মথাউৰিৰ দুৰ্বল অংশসমূহৰ লগতে ২ নং স্পাৰ (Spur No. 2)ৰ বৰ্তমানৰ পৰিস্থিতি সন্দৰ্ভত জলসম্পদ বিভাগ অৱগত।

*Contd..p/2*

(গ) উক্ত সমস্যা সমাধানৰ বাবে চৰকাৰে তলত দিয়া ধৰণে ব্যৱস্থাৱলী গ্ৰহণ কৰিছে:-

বানপূৰ্ব জৰুৰীকালীন ব্যৱস্থা (Pre-flood/ Emergency Works): বাৰিষা কালত হ'ব পৰা সাম্ভাব্য ক্ষয়ক্ষতি ৰোধ কৰিবলৈ জাঁজীমুখ, নিমাতি, ডাইনীগাঁও আৰু ন-হাতিয়া আদি অতি স্পৰ্শকাতৰ স্থানসমূহত বিভাগীয় পুঁজিৰ জৰিয়তে তাৎক্ষণিক সুৰক্ষামূলক আৰু জৰুৰীকালীন মেৰামতিৰ কাম হাতত লোৱা হৈছে।

ব্ৰহ্মপুত্ৰৰ বান আৰু খহনীয়া ব্যৱস্থাপনাৰ বাবে যোৰহাট, গোলাঘাট, লক্ষীমপুৰ আৰু বিশ্বনাথ জিলা সামৰি ইতিমধ্যে ১১০৮.২৮ কোটি টকা ব্যয় সাপেক্ষে "Climate Resilient Brahmaputra Intergrated Flood and Riverbank Erosion Risk Management Project in Assam-Jorhat, Golaghat, Lakhimpur and Biswanath Sub- Project (Zone -F)" শীৰ্ষক অভিলাষী আঁচনিখন প্ৰস্তুত কৰি যাৱতীয় অনুমোদনৰ বাবে CWC লৈ প্ৰেৰণ কৰা হৈছে। উক্ত আঁচনিত যোৰহাট জিলাৰ বাবে ৪৪৩.০০ কোটি টকাৰ প্ৰস্তাব কৰা হৈছিল।

তথাপি, সীমিত ঋনৰ পৰিপ্ৰেক্ষিতত বৰ্তমানে ১৪৪.১২ কোটি টকা ব্যয় সাপেক্ষে যোৰহাট জিলাৰ ব্ৰহ্মপুত্ৰ নদীৰ ৭.৯২ কিঃমিঃ অংশত খহনীয়া প্ৰতিৰোধৰ বাবে নিবিদা আহ্বান কৰা হৈছে।

২ নং স্পাৰৰ আংশিক ক্ষতি হোৱা অংশক সম্পূৰ্ণ সুৰক্ষাৰ বাবে জিও-বেগ (Geo-bags) স্থাপন ব্যৱস্থাৰে ক্ষিপ্ৰতাৰে পুনৰুদ্ধাৰৰ বাবে এক প্ৰাক্কলন প্ৰস্তুতৰ প্ৰক্ৰিয়া বৰ্তমান চলি আছে।

ইয়াৰ উপৰিও টিয়ক সমষ্টিৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰ নদীৰ মথাউৰি সমূহৰ সবলীকৰণৰ বাবে বিভাগীয় ভাবে প্ৰয়োজনীয় প্ৰাক্কলন প্ৰস্তুত কৰি যাবতীয় পুঁজিৰ উপলব্ধতা সাপেক্ষে ৰূপায়ন কৰিব পৰা হ'ব।

তদুপৰি, বাৰিষাৰ সময়ছোৱাত মথাউৰিৰ কোনো অংশত যাতে অপ্ৰত্যাশিত ক্ষয়-ক্ষতি নহয়, তাৰ বাবে জলসম্পদ বিভাগৰ অধীনৰ কৰ্মচাৰীৰ এটা বিশেষ দলক নিৰীক্ষণৰ বাবে নিয়োজিত কৰি ৰখা হৈছে।

**(উত্তৰৰ সৈতে কোনো পৰিশিষ্ট অনলাইন যোগে দাখিল কৰিবলগা নাই। উত্তৰসমূহ অনলাইন যোগে NeVA পৰ্টেলত দাখিল কৰা হৈছে)**

***************